মিছন সঞ্চালকৰ কাৰ্য্যালয় ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (ৰুচা)
কাহিলীপাৰা,গুৱাহাটী-৭৮১০১৯
Website:www.rusa.assam.gov.in Email:rusaassam@gmail.com/rusa-assam@assam.gov.in
Telephone no: 0361-3511733

নং ARUSA-14018/491/2022-PIM-RUSA/2651 তাৰিখ ২৯-১০-২০২২

প্ৰেৰক - ড° দীপক মজুমদাৰ , আই.এ.এছ
অসম চৰকাৰৰ সচিব,উচ্চ শিক্ষা বিভাগ আৰু
মিছন সঞ্চালক, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম

প্ৰতি - ১) পঞ্জীয়ক, অসমৰ সকলো ৰাজ্যিক বিশ্ববিদ্যালয় আৰু
২) অধ্যক্ষ / অধ্যক্ষা, অসমৰ সকলো মহাবিদ্যালয়

বিষয় – ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ ই- মেগাজিন "প্ৰজ্ঞা" ৰ ষষ্ঠ সংখ্যাত বীৰ লাচিত বৰফুকনৰ জীৱনৰ আধাৰত ছাত্ৰ- ছাত্ৰীৰ দ্বাৰা প্ৰবন্ধ / গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ।

মহাশয় / মহাশয়া,

ওপৰত উল্লেখিত বিষয় সাপেক্ষে মই জনাব বিছাৰিছো যে যিহেতু অসম চৰকাৰে বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদযাপনৰ বাবে ব্যৱস্থা লৈছে , সেইগতিকে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমে এই উদযাপনৰ লগত সংগতি ৰাখি ৰুচা ই মেগাজিন "প্ৰজ্ঞা" ৰ ষষ্ঠ সংখ্যাৰ বাবে ৰ লাচিত বৰফুকনৰ জীৱনৰ আধাৰত গৱেষণামূলক প্ৰবন্ধ তথা প্ৰবন্ধ প্ৰকাশৰ সিদ্ধান্ত লৈছে। ই মেগাজিন "প্ৰজ্ঞা" ৰ ষষ্ঠ সংখ্যা ২৪ নৱেম্বৰ ২০২২ ৰ দিনা মুকলি কৰা হ'ব। গৱেষণামূলক প্ৰবন্ধৰ বাবে ছাত্ৰ- উক্ত প্ৰবন্ধসমূহৰ বিষয়বস্তুসমূহ তলত উল্লেখ কৰা হ'ল-

ক) লাচিত বৰফুকনৰ জীৱনী।
খ) লাচিত বৰফুকনৰ ৰণকৌশল।
খ) শৰাইঘাটৰ যুদ্ধৰ ঐতিহাসিক প্ৰেক্ষাপট
গ) শৰাইঘাটৰ যুদ্ধৰ পটভূমিত গুৱাহাটী
ঘ) আলবৈৰ ৰণ আৰু ইয়াৰ সামৰিক দৃষ্টিকোন।
ঙ) অসমৰ ভূ- ৰাজনৈতিক পটভূমি- শৰাইঘাট ৰণৰ দৃষ্টিভংগীৰে।
চ) শৰাইঘাটৰ ৰণৰ পৰৱৰ্তী সময়ৰ ইতিহাস।
ছ) শৰাইঘাট ৰণৰ প্ৰেক্ষাপটত ১৭ শ শতিকাৰ গুৱাহাটী।
জ) মোগল আৰু অসমৰ ৰণনীতিৰ পৰ্য্যালোচনা- শৰাইঘাট ৰণৰ পটভূমিত ।
ঝ) অসমৰ জাতীয় চেতনা বিকাশত লাচিত বৰফুকনৰ ভূমিকা।
ঞ) শৰাইঘাট যুদ্ধৰ ঐতিহাসিক সমলৰ পৰ্য্যালোচনা।

ওপৰোক্ত বিষয়সমূহ মাথো মূল বিষয়বস্তৰ চানেকীহে, ছাত্ৰ- ছাত্ৰীসকলে নিজা দৃষ্টিভংগীৰে বিষয়টোৰ ওপৰত নিৱন্ধ লিখিব পাৰিব। প্ৰবন্ধ সমূহ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে প্ৰস্তুত কৰিব পাৰিব। অসমীয়া প্ৰবন্ধসমূহ ৰুচা অসমৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা ইউনিকোড ফ'ণ্ট "উষা" আৰু "জোনাকীত" লিখি উলিয়াব পাৰে। ফ'ণ্ট কেইটা বিনামূলীয়াকৈ ডাউনলো'ড কৰি ব্যৱহাৰৰ বাবে লিংক হৈছে https://assamesefont.eofficerusaassam.in/ ।

প্ৰতিটো গৱেষণামূলক প্ৰবন্ধৰ বাবে ছাত্ৰ- ছাত্ৰীসকলক ২৫০০.০০ টকাকৈ এককালীন মাননী আৰু প্ৰতিটো প্ৰবন্ধৰ বাবে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ দ্বাৰা মাণপত্ৰ প্ৰদান কৰা হ'ব। প্ৰবন্ধ সমূহ ৰচনাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানৰ যিকোনো শিক্ষকক গাইড হিচাপে ল'ব পাৰিব।

সেইগতিকে বিশ্ববিদ্যালয়/ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অধ্যয়ণৰত আৰু শিক্ষা সমাপ্ত কৰা ছাত্ৰ- ছাত্ৰী সকলৰ দ্বাৰা ওপৰোক্ত বিষয়ত প্ৰবন্ধ প্ৰস্তুত কৰাই ৰুচা অসমৰ ই- মেইল rusaassam@gmail.com ৰ যোগেদি ১৫ নৱেম্বৰ ২০২২ ৰ ভিতৰত জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।

ভৱদীয়

ড° দীপক মজুমদাৰ আই.এ.এছ.
অসম চৰকাৰৰ সচিব,উচ্চ শিক্ষা বিভাগ আৰু
মিছন সঞ্চালক, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম

Download link for RUSA E-magazine: https://rusaassamemagazine.com link for assumes fonts 'JONAKI' & 'UXA' developed by RUSA (Assam): https://assamesefont.eofficerusaassam.in